**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং - ৬৯**
**উত্তৰ দানৰ তাৰিখ-৭/৭/২০২৬**

**বিষয় - পৰ্য্যটনস্থলী চিনাক্ত আৰু উন্নয়ন সন্দৰ্ভত**

**শ্ৰীমেহবুব মোক্তাৰ, বিধায়ক**

**::প্ৰশ্ন::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

(ক) ধিং সমষ্টিৰ ঐতিহাসিক, সাংস্কৃতিক আৰু প্ৰাকৃতিক পৰ্য্যটনস্থলী সমূহৰ উন্নয়নৰ বাবে ২০২১ চনৰ পৰা বৰ্তমানলৈকে কিমান ধন আবণ্টন আৰু ব্যয় কৰা হৈছে? সবিশেষ তথ্য জনাব।

(খ) ধিং সমষ্টিৰ সত্ৰসমূহত পৰ্য্যটক/অতিথিসকলৰ বাবে বিশ্ৰামস্থল, শৌচালয়, বিশুদ্ধ খোৱা পানী আদি মৌলিক আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে ?

(গ) ধিং নগৰৰ মাজেৰে বৈ যোৱা তলি বিলক সৌন্দৰ্যবৰ্ধন কৰি পৰ্য্যটনস্থলীলৈ ৰূপান্তৰ কৰাৰ কোনো পৰিকল্পনা লৈছে নেকি? যদি লোৱা নাই, এইক্ষেত্ৰত কিবা পৰিকল্পনা কৰিছে নেকি ?

**:: উত্তৰ ::**

**মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে উত্তৰ দিব:**

(ক) পৰ্য্যটন বিভাগ, অসম চৰকাৰৰ অধীনত এনে কোনো ধন আবণ্টন বৰ্তমানলৈকে হোৱা নাই।

(খ) পৰ্য্যটন বিভাগ, অসম চৰকাৰৰ দ্বাৰা ধিং সমষ্টিৰ সত্ৰসমূহত পৰ্য্যটক/অতিথিসকলৰ বাবে বিশ্ৰামস্থল, শৌচালয়, বিশুদ্ধ খোৱা পানী আদি মৌলিক আন্তঃগাঁথনি উন্নয়নৰ বাবে বৰ্তমানলৈকে কোনো প্ৰকল্প লোৱা হোৱা নাই ।

(গ) পৰ্য্যটন বিভাগ, অসম চৰকাৰৰ দ্বাৰা এইক্ষেত্ৰত বৰ্তমানলৈকে কোনো পৰিকল্পনা হাতত লোৱা হোৱা নাই। ভৱিষ্যতে পুঁজিৰ উপলব্ধতা সাপেক্ষে বিবেচনা কৰিব পৰা যাব।

*****************

The reply has been submitted in the NeVA Portal of Assam Legislative Assembly